জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১২২/২০২০

# অসম লোকসেৱা আয়োগৰ কেলেংকাৰীত অভিযুক্তসকলে দাখিল কৰা আবেদন খাৰিজ কৰিলে গুৱাহাটী উচ্চ ন্যায়ালয়ে

**দিছপুৰ, ১৮ মাৰ্চ ঃ** অসম লোকসেৱা আয়োগৰ কেলেংকাৰীত অভিযুক্তসকলে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ওচৰত দাখিল কৰা ৪৯ খন আবেদন আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে খাৰিজ কৰে। এই আবেদনকাৰীসকলক অসম লোকসেৱা আয়োগৰ কেলেংকাৰীত গ্ৰেপ্তাৰ কৰাৰ পিছত ৰাজ্য চৰকাৰে চাকৰিৰ পৰা বৰ্খাস্ত কৰিছিল। ৰাজ্য চৰকাৰৰ এই সিদ্ধান্তক প্ৰত্যাহ্বান জনাই তেওঁলোকে গুৱাহাটী উচ্চ ন্যায়ালয়ত আবেদন কৰিছিল। প্ৰায় দুমাহ ধৰি শুনানি গ্ৰহণ কৰাৰ পিছত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনজিৎ ভূঞাই আজি এই ৰায় প্ৰদান কৰে।

**পুঃডেঃ**
**১৮/০৩/২০২০**